2 0 1 7

# ASSAMESE

## ( Major )

Paper : 1.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) বজ্ৰযানৰ মূল ভেটি কি ?

(খ) তোমাৰ পাঠ্য ১ নং চৰ্যাৰ 'ৰাগ'টো কি ?

(গ) 'শূন্য পুৰাণ' কোনে ৰচনা কৰিছিল ?

(ঘ) শংকৰদেৱে কাক পূৰ্বকবি অপ্ৰমাদী বুলি কৈছে ?

(ঙ) 'ঊষা-পৰিণয়' কাব্যখনৰ ৰচক কোন ?

(চ) "দেখা দেখা জানকী হৰিষ কৰি মন"—পংক্তিটো কোনটো কবিতাৰ অন্তৰ্গত ?

(ছ) 'নন্দোৎসৱ' কবিতাটিৰ আধাৰ গ্ৰন্থখনৰ নাম কি ?

(জ) অসমীয়া কোনবিধ লোকগীতৰ আৰ্হিত শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কাব্যখন ৰচিত ?

(ঝ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটিত চিত্ৰলেখাই প্ৰথমে কাৰ ছবি অংকন কৰিছিল?

(ঞ) "সমস্তে জগত প্ৰতিপাল কৰি
আত্মাৰূপে আছো ধৰি।"

ইয়াত কোনে সমস্ত জগত প্ৰতিপাল কৰি থকা বুলি কোৱা হৈছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) লুইপাদে সংস্কৃত ভাষাত লিখা দুখন পুথিৰ নাম লিখা।

(খ) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ কবি কোন? কবিতাটিৰ আধাৰ গ্ৰন্থখনৰ নাম কি?

(গ) নন্দ কোন? তেওঁ কি উপলক্ষ্যে উৎসৱ পালন কৰিছিল?

(ঘ) প্ৰাচীন অসমীয়া (ধ্ৰুপদী) সাহিত্যৰ অন্তৰ্গত দুখন অনুবাদমূলক গ্ৰন্থৰ নাম লিখা।

(ঙ) যুদ্ধকাব্যৰ কবি বুলি কাক কোৱা হয়? তেওঁৰ দ্বাৰা ৰচিত যুদ্ধকাব্য এখনৰ নাম লিখা।

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল॥

(খ) হালধিৰ গুণ্ডি তৈল পানী মিসলাই।
অন্যো অন্যে সিঞ্চে গোবিন্দৰ গুণ গাই॥

(গ) ওপৰত মেঘ যেন দেখিয় শোভন।
বাঢ়িল নিকলি যেন পৃথিৱীৰ তন॥
শিখৰ ওপৰে মন্দাকিনী শুক্লজল।
তনক ঢাকিয়া যেন বস্ত্রৰ আঞ্চল॥

(ঘ) ৰামৰূপে মই সীতাৰ নিমিত্তে
সাগৰ ভৈলোহো পাৰ।
সবংশে ৰাৱণ ৰাক্ষস বধিলো
খণ্ডিলো ভূমিৰ ভাৰ॥

(ঙ) হস্তী-ঘোঁৰা স্রজিলেক পাত্র-মন্ত্রীগণ।
সুবৰ্ণৰ স্তম্ভ মণিময় বিচক্ষণ॥
আয়াস মন্দিৰ সুশোভন সিংহাসন।
পঞ্চশব্দ বজাৱে নৰ্ত্তকী নটগণ॥

(চ) ইহাৰ বিৰহে মোৰ তনুসৰ দহে।
এহতো যৌৱন চোৰা আনজন নোহে॥
কি নাম ইহান সখি কোন দেশে থাকে।
কিবা নাম কাহাৰ তনয় কহ মোকে॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'প্ৰাচীন অসমীয়া (ধ্রুপদী) কবিতা' সম্পৰ্কে এটি নাতিদীৰ্ঘ আলোচনা যুগুত কৰা।

অথবা

অসমীয়া ভক্তি সাহিত্যলৈ শংকৰদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(খ) ৰচকগৰাকীৰ চমু পৰিচয় দি ১নং চৰ্যাৰ গূঢ়াৰ্থখিনি তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰা।

অথবা

কবিজনাৰ চমু পৰিচয় উল্লেখ কৰি 'চিত্ৰকূটৰ চিত্ৰ' কাব্যাংশত কবিগৰাকীয়ে অলংকাৰৰ প্ৰয়োগ কেনেদৰে কৰিছে, আলোচনা কৰা।

(গ) 'নন্দোৎসৱ' কবিতাটিত প্ৰকাশ পোৱা নন্দৰ উৎসৱৰ পৰিৱেশ আৰু উৎসৱৰ অন্তত নন্দই অভ্যাগতসকলক কৰা আপ্যায়ন কেনেধৰণৰ আছিল, বৰ্ণনা কৰা।

অথবা

শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কবিতাটিক শিশু-সাহিত্যৰ অংশ হিচাপে গণ্য কৰিব পাৰি নে নোৱাৰি, বিচাৰ কৰা।

(ঘ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চুতৰ্দ্দশীৰ মোট খেলা' কাব্যাংশৰ অন্তৰ্নিহিত ভাবাৰ্থ মুকলি কৰা।

অথবা

'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশত কবি পীতাম্বৰৰ বৰ্ণনা নৈপুণ্য কিদৰে প্ৰকাশিত হৈছে, বহলাই লিখা।

***